নংচি ডি.পি.অ (এম. বি.আৰ) ১২২/২০২৪-২৫/১৯২

# বিজ্ঞাপন

অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধীনৰ মৈৰাবাৰী শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত তলত উল্লিখিত অঙ্গনৱাড়ী কেন্দ্ৰ সমূহৰ বিপৰীতে অঙ্গনৱাড়ী কৰ্মী আৰু অঙ্গনৱাড়ী সহায়িকা হিচাপে স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক মহিলা প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে। নিম্ন উল্লিখিত চৰ্তাৱলী সাপেক্ষে স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক প্ৰাৰ্থী সকলে কাৰ্যালয়ৰ পৰা যোগান ধৰা নিৰ্দ্ধাৰিত প্ৰ-প্ৰত্ৰৰ যোগেদি যাৱতীয় তথ্য আৰু নথি-পত্ৰ সহ আবেদন কৰিব পাৰিব।

আবেদনকাৰীয়ে তেওঁলোকৰ আবেদনৰ লগত স্ব-প্ৰত্যায়িত দুখন পাছপ'ৰ্ট আকাৰৰ ফটো গাঁঠি দিব লাগিব।

| ক্ৰ. নং | খালী হৈ থকা অঙ্গনৱাড়ী কেন্দ্ৰৰ নাম | খালী পদৰ নাম | গাঁও পঞ্চায়ত | কেন্দ্ৰৰ চাৰিসীমা | সংৰক্ষণ (যদি আছে) |
|---|---|---|---|---|---|
| ১ম | আঠগাঁও চাপৰি | অঙ্গনৱাড়ী কৰ্মী | লহকৰ | পূবে- শ্ৰীপূৰ্ণমালা চৌধুৰী (ঘৰ নং-৪৯)<br>পশ্চিমে- শ্ৰীপ্ৰদীপ দাস (ঘৰ নং- ০০১ )<br>উত্তৰ- পদ্ম দাস (ঘৰ নং-০১৮ )<br>দক্ষিণে- সোণমাই সেন (ঘৰ নং- ৭৬) | অসংৰক্ষিত |
| ২ | লহকৰ গায়নগাঁও | অঙ্গনৱাড়ী সহায়িকা | লহকৰ | পূবে- মঃ মজিবুৰ ৰহমান (ঘৰ নং- ১২৭)<br>পশ্চিমে- মঃ খুৰছেদ আলী (ঘৰ নং- ০৯২)<br>উত্তৰে- মঃ ইক্ৰামুল হক (ঘৰ নং- ০৫৯)<br>দক্ষিণে- মঃ ৰহমত আলী (ঘৰ নং ০৩৭) | অসংৰক্ষিত |
| ৩ | পশ্চিম লেংৰীবাৰী সমৰ মাষ্টৰ চুক | অঙ্গনৱাড়ী সহায়িকা | লেংৰীবাৰী | পূবে- মঃ আশ্ৰব আলী (ঘৰ নং- ১৮)<br>পশ্চিমে- মঃ আবুল কাছেম (ঘৰ নং- ২৩)<br>উত্তৰে- মঃ হাছেন আলী (ঘৰ নং- ৩০)<br>দক্ষিণে- মঃ মুহিবুৰ ৰহমান (ঘৰ নং- ) | অসংৰক্ষিত |
| ৪ | মধ্য চহকীয়া পাম আশ্ৰাফুল চুবুৰি | অঙ্গনৱাড়ী সহায়িকা | লেংৰীবাৰী | পূবে- মঃ আব্দুল নাছাৰ (ঘৰ নং- ১০০)<br>পশ্চিমে- মঃ আমিৰ উদ্দিন (ঘৰ নং- ১০৪)<br>উত্তৰে-মঃ হিফজুৰ ৰহমান (ঘৰ নং- ১২১)<br>দক্ষিণে- পথাৰ | অসংৰক্ষিত |
| ৫ | পাণবাৰী এ. চাত্তাৰ চুবুৰি | অঙ্গনৱাড়ী সহায়িকা | বৰভেটি | পূবে- মঃ জাকাৰিয়া হুছেইন (ঘৰ নং- ২৩)<br>পশ্চিমে- মঃ জালাল উদ্দিন (ঘৰ নং- ৪০)<br>উত্তৰে- মঃ আব্দুল জব্বাৰ (ঘৰ নং- ০১)<br>দক্ষিণে- মঃআব্দুল শ্বাহীদ (ঘৰ নং-৪৩) | অসংৰক্ষিত |
| ৬ | তাহেৰ বেপাৰী চুবুৰি | অঙ্গনৱাড়ী সহায়িকা | বৰভেটি | পূবে- মঃ ৰাজব আলী (ঘৰ নং- ০১)<br>পশ্চিমে- মঃ আব্দুল কাদিৰ (ঘৰ নং- ১৩৫)<br>উত্তৰে- মঃ চাহ জাহান আলী (ঘৰ নং- ১২০)<br>দক্ষিণে- মঃ নৰুজুল ইছলাম (ঘৰ নং-৯১) | অসংৰক্ষিত |
| ৭ | পূব উলুবাৰী এ. গফুৰচুক | অঙ্গনৱাড়ী সহায়িকা | উলুবাৰী | পূবে- মঃ আৱল কাছেম (ঘৰ নং- ০৬)<br>পশ্চিমে- মঃ বিল্লাল (ঘৰ নং- ১০)<br>উত্তৰে- মঃ হৰমোজ আলী (ঘৰ নং- ০২)<br>দক্ষিণে- মঃ মুস্তাক আলী (ঘৰ নং-৪০) | অসংৰক্ষিত |
| ৮ | টেমীহেৰুৱা জানপাৰ | অঙ্গনৱাড়ী সহায়িকা | দাতিথালবৰী | পূবে- মঃ এ. ৰজক (ঘৰ নং- ৪১)<br>পশ্চিমে- মঃ আব্দুল হাছেন (ঘৰ নং- ০১)<br>উত্তৰে- টেমীহেৰুৱা নদী জান<br>দক্ষিণে- এ. চুবাহ (ঘৰ নং-৮৪) | অসংৰক্ষিত |
| ৯ | গায়নগাঁও নলঘৰ | অঙ্গনৱাড়ী সহায়িকা | নিজ ধিং | পূবে- মঃ চুলতান আলী (ঘৰ নং- ২৬৪)<br>পশ্চিমে- মঃ ইনছ আলী (ঘৰ নং- ০২)<br>উত্তৰে- মঃ বাহাৰুল ইছলাম (ঘৰ নং- ৬২)<br>দক্ষিণে- মঃ মফিদুল ইছলাম (ঘৰ নং-) | অসংৰক্ষিত |
| ১০ | পশ্চিম মোৱামাৰী লেতেৰী পাৰ | অঙ্গনৱাড়ী সহায়িকা | নিজ ধিং | পূবে- মঃ আঃ ৰশিদ (ঘৰ নং- ০১)<br>পশ্চিমে- মঃ আবু বক্ৰ ছিদ্দিক (ঘৰ নং- ৩৬)<br>উত্তৰে- মঃ গফুৰ (ঘৰ নং- ১৬)<br>দক্ষিণে- মঃ ৰশিদুল (ঘৰ নং-৬১) | অসংৰক্ষিত |
| ১১ | ছুলতলী প্ৰেছিডেন্ট চুবুৰি | অঙ্গনৱাড়ী সহায়িকা | নিজ ধিং | পূবে- মঃ আব্দুল কুদ্দুছ (ঘৰ নং- ১০৭)<br>পশ্চিমে- মঃ আব্দুল খাইৰ (ঘৰ নং- ৫৫)<br>উত্তৰে- মঃ ৰফিকুল ইছলাম (ঘৰ নং- ৩১)<br>দক্ষিণে- মঃ চহিদুল ইছলাম (ঘৰ নং-৭৪) | অসংৰক্ষিত |
| ১২ | দক্ষিণ পশ্চিম লালিপথাৰ | অঙ্গনৱাড়ী সহায়িকা | লালীপথাৰ | পূবে- পথাৰ<br>পশ্চিমে- মঃ জহিৰুল ইছলাম (ঘৰ নং- ৬১)<br>উত্তৰে- মঃ ফাইজুল হক (ঘৰ নং- ১৭)<br>দক্ষিণে- মঃ আব্দুল মজিদ (ঘৰ নং-৬৭) | অসংৰক্ষিত |
| ১৩ | শালমৰাবাৰী খালকাটা বিলপাৰ | অঙ্গনৱাড়ী সহায়িকা | মৈৰাধ্বজ | পূবে- মঃ ফকৰ উদ্দিন (ঘৰ নং- ২৬)<br>পশ্চিমে- মঃ মফিদুল ইছলাম (ঘৰ নং- ৬৯)<br>উত্তৰে-মঃ নাজিম উদ্দিন ভূএগ (ঘৰ নং- ৬৬)<br>দক্ষিণে- খালকাটা বিল। | অসংৰক্ষিত |
| ১৪ | মৈৰাধ্বজ উত্তৰ পশ্চিম চুক | অঙ্গনৱাড়ী সহায়িকা | মৈৰাধ্বজ | পূবে- মঃ জয়নাল আবেদিন (ঘৰ নং- ০১)<br>পশ্চিমে- মঃ নাজিম উদ্দিন (ঘৰ নং- ৭৩)<br>উত্তৰে- পুখুৰী<br>দক্ষিণে- মঃ জালাল উদ্দিন (ঘৰ নং-১১৯) | অসংৰক্ষিত |

**চৰ্তাৱলীসমূহঃ-**

১. অঙ্গনৱাড়ী কৰ্মী আৰু অঙ্গনৱাড়ী সহায়িকা পদৰ মহিলা প্ৰাৰ্থীসকল স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক হ'ব লাগিব।

২. প্ৰাৰ্থী সকল নিৰ্দ্ধাৰিত অঙ্গনৱাড়ী কেন্দ্ৰটোৰ জৰীপ এলেকাৰ স্থায়ী বাসিন্দা হ'ব লাগিব আৰু অঙ্গনৱাড়ী কেন্দ্ৰৰ জৰীপ বহীত পঞ্জীয়নভুক্ত হৈ থাকিব লাগিব। আবেদন প্ৰ-পত্ৰৰ লগত স্থানীয় গাঁওপ্ৰধান অথবা ৱাৰ্ড মেম্বাৰৰ পৰা স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ গাঁঠি দিব লাগিব। কেন্দ্ৰ এলেকাৰ বাহিৰৰ প্ৰাৰ্থীৰ আবেদন নাকচ কৰা হ'ব।

৩. প্ৰাৰ্থীৰ বয়স ইংৰাজীৰ ০১-০১-২০২৪ তাৰিখে ন্যূনতম ১৮ বছৰৰ পৰা ৪৪ বছৰৰ ভিতৰত হ'ব লাগিব।

৪. অঙ্গনৱাড়ী কৰ্মী পদৰ বাবে ন্যূনতম শিক্ষাগত অৰ্হতা উচ্চতৰ মাধ্যমিক (Higher Secondary) পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব নাইবা অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ডৰ পৰা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। যদি সেই এলেকাত উক্ত যোগ্যতাসম্পন্ন প্ৰাৰ্থী নাথাকে তেন্তে অসম চৰকাৰৰ অধীনৰ ব'ৰ্ডৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা বা হাইমাদ্ৰাছা শিক্ষান্ত পৰীক্ষা (HSLC/AHM) উত্তীৰ্ণ প্ৰাৰ্থীৰ আবেদন গ্ৰহণ কৰা হ'ব।

৫. অঙ্গনৱাড়ী সহায়িকা পদৰ বাবে ন্যূনতম শিক্ষাগত অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব বা হাইমাদ্ৰাছা শিক্ষান্ত পৰীক্ষা (HSLC/AHM)ত উত্তীৰ্ণ হ'ব লাগিব নাইবা অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ডৰ পৰা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। যদি সেই এলেকাত উক্ত যোগ্যতাসম্পন্ন প্ৰাৰ্থী নাথাকে তেন্তে ন্যূনতম শিক্ষাগত অৰ্হতা নৱম শ্ৰেণী উত্তীৰ্ণৰ আবেদন গ্ৰহণ কৰা হ'ব। এনে নৱম শ্ৰেণীৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ সমূহ সংশ্লিষ্ট বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ পৰা প্ৰতি স্বাক্ষৰিত (Countersigned) কৰা হ'ব লাগিব। অঙ্গনৱাড়ী কৰ্মী আৰু সহায়িকা পদৰ প্ৰাৰ্থী সকল শিক্ষাগত অৰ্হতা অনুযায়ী উত্তীৰ্ণ হোৱা পৰীক্ষাৰ নম্বৰ তালিকা (Marksheet)ৰ নকল কপি আবেদন প্ৰ-পত্ৰৰ লগত গাঁঠি দিব লাগিব।

৬. যদি প্ৰাৰ্থী সকলে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ (KKHSOU) দ্বাৰা দিয়া BPP প্ৰমাণপত্ৰ দাখিল কৰে তেন্তে তেওঁলোকক হাইস্কুল শিক্ষান্ত পৰীক্ষা/হাইমাদ্ৰাছা শিক্ষান্ত পৰীক্ষা (HSLC/AHM) ৰ সমপৰ্যায়ত উত্তীৰ্ণ বুলি ধৰা নহ'ব।

৭. অঙ্গনৱাড়ী কৰ্মীৰ প্ৰাৰ্থী সকলে শিশু সকলৰ প্ৰাক-স্কুলীয়া অনানুষ্ঠানিক শিক্ষা দিয়াৰ উপৰি বিভিন্ন খেলা-ধূলা, শাৰীৰিক ব্যায়াম, নাচ-গান শিকাব পৰা হ'ব লাগিব আৰু আঁচনিখনৰ উদ্দেশ্য সফল কৰিব পৰাকৈ প্ৰতিদিনে কেন্দ্ৰ এলেকাত গৃহ পৰিদৰ্শন কৰিব পৰা হ'ব লাগিব। শিশু আৰু মাতৃ সকলৰ মনোযোগ আকৰ্ষণ কৰিব পৰাকৈ গীত- মাত, নাচ-গান, আবৃত্তি, নাটক, সাধুকথা, পুতলা বনোৱা, চিলাইৰ প্ৰতি আগ্ৰহী থাকিব লাগিব। লগতে সময়ে সময়ে দিয়া বিভাগীয় নিৰ্দেশনাসমূহ পালন কৰিবলৈ ইচ্ছুক থাকিব লাগিব। তদুপৰি এন্ড্ৰোইড মোবাইল ফোন চলাব পৰা হ'ব লাগিব।

৮. শাৰীৰিকভাৱে বাধাগ্ৰস্ত মহিলাৰ বাবে শতকৰা ৩ শতাংশ পদ সংৰক্ষিত থাকিব। সেই সকল প্ৰাৰ্থীয়ে শাৰীৰিক বাধাগ্ৰস্ত আইন ১৯৯৫ত নিৰ্ণয় কৰা উপযুক্ত কৰ্তৃপক্ষৰ পৰা প্ৰমাণ পত্ৰৰ নকল কপি আবেদন প্ৰ-পত্ৰৰ লগত গাঁঠি দিব লাগিব।

৯. যিসমূহ অঙ্গনৱাড়ী এলেকাৰ মুঠ জনসংখ্যাৰ ৪০ শতাংশৰ অধিক অনুসূচিত জাতি/অনুসূচিত জনজাতি/ চাহ জনজাতি হয়, তেনে অঙ্গনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মী/সহায়িকাৰ পদ উক্ত সম্প্ৰদায়ৰ পৰা নিৰ্বাচন কৰা হ'ব।

১০. বিবাহিত মহিলা প্ৰাৰ্থীৰ ক্ষেত্ৰত তেওঁলোকৰ স্বামী গৃহৰ ঠিকনাহে গ্ৰহণযোগ্য হ'ব। অৱশ্যে বিধৱা বা বিবাহ বিচ্ছেদ প্ৰাৰ্থী এই ক্ষেত্ৰত ৰেহাই পাব।

১১. প্ৰাৰ্থীসকলে নিজৰ আধাৰ কাৰ্ড, শিক্ষাগত অৰ্হতা (নম্বৰৰ তালিকা সহ), জন্মৰ প্ৰমাণ পত্ৰ (হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰবেশ পত্ৰ বা উত্তীৰ্ণৰ প্ৰমাণ পত্ৰ বা অন্যান্য বৈধ নথি য'ত জন্মৰ তাৰিখ উল্লেখ আছে), জাতিৰ প্ৰমাণ পত্ৰ যদি প্ৰযোজ্য, সংশ্লিষ্ট এলেকাৰ বাসিন্দাৰ প্ৰমাণ পত্ৰ, শাৰীৰিক বাধাগ্ৰস্ততাৰ প্ৰমাণ পত্ৰ (যদি প্ৰযোজ্য) ইত্যাদিৰ স্ব-প্ৰত্যায়িত (Self Attested) নকল কপি আৰু দুখন পাছপ'ৰ্ট আকাৰৰ ফটো আবেদন প্ৰ-পত্ৰৰ লগত গাঁঠি দিব লাগিব আৰু সাক্ষাৎকাৰৰ দিনা মূল নথি-পত্ৰ সমূহ পৰীক্ষণৰ বাবে আনিব লাগিব।

১২. কোনো ভুল তথ্য বা ভুল নথি দাখিল কৰি যদি কোনো প্ৰাৰ্থী নিৰ্বাচিত হয় আৰু সেইটো পিছত প্ৰমাণিত হ'লে সেই সকল প্ৰাৰ্থীৰ তৎক্ষণাৎ অঙ্গনৱাড়ী কৰ্মী বা সহায়িকা পদৰ সেৱাৰ পৰা বৰ্খাস্ত কৰা হ'ব।

১৩. নিৰ্বাচিত প্ৰাৰ্থী সকলে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত স্বেচ্ছামূলক সেৱা আগবঢ়োৱা সন্মতি (Expression of Interest) পত্ৰ লগতে চৰকাৰী চিকিৎসকৰ পৰা স্বাস্থ্যজনিত (Medical Fitness)ৰ প্ৰমাণ পত্ৰৰ প্ৰদান কৰি কাৰ্যত যোগদান কৰিব লাগিব।

১৪. এই সেৱাৰ বাবে যোগদান কৰা অঙ্গনৱাড়ী কৰ্মী/সহায়িকা সকলৰ বয়স ৬০ বছৰ সম্পূৰ্ণ হোৱাৰ লগে লগে পদৰ পৰা অব্যাহতি দিয়া হ'ব অথবা কাৰ্যভাৰ নিয়াৰিকৈ চলাবলৈ অসামৰ্থ্য হ'লে তাৰ আগতে নিৰ্দিষ্ট পদৰ পৰা অব্যাহতি দিয়া হ'ব।

১৫. প্ৰাৰ্থীসকলে কাৰ্যালয়ৰ পৰা যোগান ধৰা আবেদন পত্ৰত আবেদন কৰিব লাগিব।

১৬. আবেদন প্ৰ-পত্ৰ গ্ৰহণ কৰাৰ শেষ তাৰিখ ২৩-১২-২০২৪ (আবেলি ৩.০০ বজালৈ)।

১৭. আবেদন প্ৰ-পত্ৰৰ অগ্ৰাহ্যৰ তালিকা, সাক্ষাৎকাৰৰ বাবে যোগ্য প্ৰাৰ্থীৰ তালিকা ইংৰাজী ২৭-১২-২০২৪ কাৰ্যালয়ত জাননী ফলকত প্ৰকাশ কৰা হ'ব।

১৮. উপযুক্ত প্ৰাৰ্থীসকলৰ মৌখিক সাক্ষাৎকাৰ অহা ইংৰাজী ০২-০১-২০২৫ তাৰিখে মৈৰাবাৰী শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ত দিনৰ ১০.০০ বজাৰ পৰা আৰম্ভ হ'ব।

১৯. কোনো প্ৰাৰ্থীকে ব্যক্তিগতভাৱে আমন্ত্ৰণ পত্ৰ দিয়া নহ'ব।

**পাৰিতোষিক ঃ**

১. অঙ্গনৱাড়ী কৰ্মী সকলে মাহে (৪৫০০.০০+২০০০.০০)= ৬৫০০.০০ (ছয়হাজাৰ পাঁচশ) টকাকৈ পাৰিতোষিক হিচাপে পাব।

২. অঙ্গনৱাড়ী সহায়িকা সকলে মাহে (২২৫০.০০+১০০০.০০)= ৩২৫০.০০ (তিনি হাজাৰ দুশ পঞ্চাছ) টকাকৈ পাৰিতোষিক হিচাপে পাব।

৩. প্ৰাৰ্থীসকলে সাক্ষাৎকাৰলৈ অহাৰ বাবদ কোনোধৰণৰ ভ্ৰমণ বানচ দিয়া নহ'ব।

**আবেদন প্ৰ পত্ৰ তৎকালে নাকচ কৰা হ'ব যদিহে প্ৰাৰ্থীগৰাকী ঃ**

ক) কোনো ধৰণৰ মাৰাত্মক ৰোগত আক্ৰান্ত হয়।

খ) মানসিকভাৱে বিকাৰগ্ৰস্ত হয়।

গ) কোনোধৰণৰ অপৰাধজনিত গোচৰত জড়িত হয়।

ঘ) বিদ্যালয় বা মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰী হয়।

ঙ) আবেদন প্ৰ-পত্ৰৰ গ্ৰহণ কৰা আৰু অঙ্গনৱাড়ী কৰ্মী/সহায়িকাৰ বাবে নিৰ্বাচিত হোৱা সময়ছোৱাত যদি কোনো প্ৰাৰ্থী কেন্দ্ৰ এলেকাৰ পৰা অন্য এলেকালৈ স্থানান্তৰিত হয়।

চ) যদিহে প্ৰাৰ্থীয়ে সাক্ষাৎকাৰত উপস্থিত নাথাকে বা মূল নথি পত্ৰ সমূহ যোগান ধৰিব নোৱাৰে।

ছ) যদিহে প্ৰ-পত্ৰখনত বিচৰা সকলো তথ্য প্ৰদান নকৰে।

জ) এই স্বেচ্ছামূলক সেৱাৰ নিয়োগ প্ৰক্ৰিয়াত প্ৰাৰ্থীয়ে নিজে বা প্ৰাৰ্থীৰ হৈ কোনো অন্য ব্যক্তিয়ে কোনোধৰণৰ প্ৰত্যক্ষ বা পৰোক্ষ হস্তক্ষেপ কৰিলে।

**বিঃদ্ৰঃ-** চৰকাৰী জাননী নং- এছ. ডব্লিউ.ডি.৫১৫/২০১৭/১৮ তাৰিখ ২৫ জানুৱাৰী ২০১৯ৰ মৰ্মে প্ৰকল্প পৰ্যায়ৰ বাছনি কমিটীৰ জৰিয়তে সম্পূৰ্ণ মেধাৰ ভিত্তিত প্ৰাৰ্থী সকলক অঙ্গনৱাড়ী কৰ্মী আৰু সহায়িকা পদৰ বাবে বাছনি কৰা হ'ব।

**স্বাক্ষৰ/- শিশু উন্নয়ন প্ৰকল্প বিষয়া**
**মৈৰাবাৰী শিশু উন্নয়ন প্ৰকল্প**
**মৈৰাবাৰী, মৰিগাঁও**

**Janasanyog/D/10227/24/12-Dec-24**

GovtJobAssam.com